# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
000000000

**Date :** 14-02-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::**

১। ৰাজ্যৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগীসকলক এডভাণ্টেজ আছামৰ সৈতে সংযুক্ত হ'বলৈ মন্ত্ৰী বিমল বৰাৰ আহ্বান।

২। চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা কাইলৈ আৰম্ভ।

৩। ৰাজ্যৰ অবৈধ কয়লা খনন সম্পৰ্কীয় গোচৰসমূহ একত্ৰিত কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ জাৰি।

৪। এপ্ৰিলত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ মন্তব্য।

*আৰু*

৫। উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ সামৰণি।

০০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিনিয়োগকাৰীক আদৰিবলৈ ৰাজ্য চৰকাৰ সাজু হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ এই সৰ্ববৃহৎ বিনিয়োগ সন্মিলন সফল কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰে সকলো প্ৰস্তুতি চলাইছে। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত ৰাজ্যৰ উদ্যোগপতিসকলৰ লগতে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ উদ্যোগীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। শ্ৰী বৰাই ৰাজ্যত ব্যৱসায়ৰ নতুন সুযোগ সৃষ্টি তথা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰৰ ক্ষেত্ৰত সহায় হোৱাকৈ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত থলুৱা বিনিয়োগকাৰীসকলক সংযুক্ত হ'বলৈ আহ্বান জনায়।

*(বাইট ঃ বিমল বৰা)*

বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ সচিব ড০ লক্ষ্মনন এছৰ উপৰি প্ৰতিখন জিলাৰ আয়ুক্ত আৰু জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ বিষয়াসকল ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে সংযুক্ত হয়।

এডভাণ্টেজ আছামৰ প্ৰথম সংস্কৰণত ২৬২ খন বুজাবুজিৰ চুক্তিৰ স্বাক্ষৰ হৈছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইয়াৰ দ্বিতীয় সংস্কৰণত অধিক বুজাবুজিৰ চুক্তি তথা বিনিয়োগ হ'ব বুলি আশা প্ৰকাশ কৰে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজন কৰা এই শীৰ্ষ সন্মিলনত ভাগ ল'বলগীয়া বিনিয়োগকাৰীৰ বাবে থকা-খোৱাৰ বিশেষ ব্যৱস্থা কৰাৰ উপৰি প্ৰদৰ্শনীথলীৰ পৰিসৰ বৃদ্ধি কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জনাইছে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰ ভিত্তিক কাৰ্যসূচীৰ অংশ হিচাপে ছিংগাপুৰ ভ্ৰমণ অত্যন্ত আশাব্যঞ্জক আৰু ফলপ্ৰসূ আছিল বুলি উল্লেখ কৰিছে। এই শীৰ্ষ সন্মিলনৰ

অংশীদাৰ ৰাষ্ট্ৰ হিচাপে ছিংগাপুৰৰ কোম্পানীসমূহৰ অসমৰ বিভিন্ন ক্ষেত্ৰত বিনিয়োগৰ জড়িয়তে নিয়োগ আৰু সুযোগ সৃষ্টি কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস কৰিছে বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকী ছিংগাপুৰ ভ্ৰমণ সামৰি  আজি গুৱাহাটীত উপস্থিত হয়।

০০০০

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত কাইলৈ চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হ'ব। এইবাৰ মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী, সমাজ বিজ্ঞান, সাধাৰণ বিজ্ঞান আৰু সাধাৰণ গণিতৰ প্ৰশ্নকাকতৰ  চাৰিটা অ' এম আৰ ছিট থাকিব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নৰনাৰায়ণ নাথে প্ৰকাশ কৰিছে।

*(বাইট ঃ নৰনাৰায়ণ নাথ)*

পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে ইতিমধ্যে সংশ্লিষ্ট জিলা আয়ুক্তসকলে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১৫ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত পৰিক্ষাৰ্থীৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ, মোবাইল ফোন, স্মাৰ্ট ঘড়ী আদিকে ধৰি অন্যান্য ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০

কোকৰাঝাৰৰ বি টি আৰ বিধান পৰিষদীয় ভৱনত হ'বলগীয়া অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী প্ৰস্তুতি সন্দৰ্ভত বুজ ল'বলৈ বি টি আৰৰ প্ৰধান প্ৰমোদ বড়োৱে আজি সংশ্লিষ্ট সকলো বিভাগৰ কাৰ্যবাহী সদস্য, সচিব আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বাজেট অধিৱেশন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো প্ৰস্তুতিৰ পৰ্যালোচনা কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী বড়োয়ে কয়, যে বি টি আৰলৈ ইতিবাচক পৰিৱৰ্তন আৰু প্ৰগতি অনাৰ ক্ষেত্ৰত এই বাজেট অধিৱেশন অতি গুৰুত্বপূৰ্ণ সুযোগ হিচাপে বিবেচিত হ'ব। অহা ১৭ ফেব্ৰুৱাৰীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব। উল্লেখযোগ্য যে, এই অধিৱেশনত ৰাজ্যৰ ষষ্ঠ অনুসূচীৰ এলেকাক অধিক উন্নত কৰাৰ বিষয়ত আলোচনা কৰা হ'ব।

০০০০

ৰাজ্যৰ অবৈধ কয়লাখনন সম্পৰ্কীয় গোচৰসমূহৰ বিচাৰ প্ৰক্ৰিয়া এতিয়াৰে পৰা একেলগে চলিব। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে উমৰাংছুৰ কয়লাখনিৰ ঘটনাক লৈ ইতিমধ্যে ৰুজু হোৱা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰটোৰ সৈতে অন্যান্য গোচৰসমূহ একত্ৰিত কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই উচ্চ ন্যায়ালয়ত এই বিষয়ত দাখিল কৰা ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনখনো মূল গোচৰৰ সৈতে সন্নিৱিষ্ট কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিয়ে। ইপিনে ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি ৰাজ্য চৰকাৰে অবৈধ কয়লাখনন ৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলী সন্দৰ্ভত উচ্চ ন্যায়ালয়ত এখন শপতনামা দাখিল কৰিছে। আমাৰ আগৰ বাতৰিতো কোৱা হৈছে, যে অবৈধ কয়লাখনন সন্দৰ্ভত ১৩ ফেব্ৰুৱাৰীৰ ভিতৰত শপতনামা দাখিল কৰিব নোৱাৰিলে আজিৰ শুনানিত অসম চৰকাৰৰ প্ৰধান সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক সোঁশৰীৰে হাজিৰ হ'বলৈ উচ্চ

ন্যায়ালয়ে পূৰ্বতে এখন শুনানি যোগে নিৰ্দেশ জাৰি কৰিছিল। এনে কঠোৰ নিৰ্দেশৰ পাছতে চৰকাৰে এই সন্দৰ্ভত এখন শপতনামা দাখিল কৰে বুলি সংশ্লিষ্ট অধিবক্তাই জানিবলৈ দিয়ে।

oooo

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ আৰৰ্ত ভৱনৰ নতুন গৃহৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি জিলাখনৰ আন কেইবাটাও কাৰ্যসূচীত অংশ লয়। ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অধীনত ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই আৰৰ্ত ভৱনৰ ভূমি পূজন অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগু উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত ধেমাজিৰ হাবুং ঐতিহ্য ক্ষেত্ৰত টাই সংগ্ৰহালয় নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। লোক নিৰ্মাণ বিভাগৰ অধীনত গ্লোবেল হেড পুঁজিৰ ৩ কোটি টকা ব্যয় সাপেক্ষে এই সংগ্ৰহালয়টো নিৰ্মাণ কৰা হ'ব। ডাঃ পেগুৱে আজি জিলাখনৰ বগলীজান আৰু ভূমা অঞ্চল সংযোগী আৰু বৰদৈ বাগান আৰু ৰাতুৰা সংযোগী দুখন দলঙৰো আধাৰশিলা স্থাপন কৰে।

oooo

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌলত দৌল উন্নয়ন পৰিষদে সংবাদ মেল পাতি বিগত বছৰৰ দৰে এইবাৰো শিৱদৌলত শিৱৰাত্ৰী উদ্‌যাপনৰ দিহা কৰা হৈছে বুলি প্ৰকাশ কৰিছে। শিৱদৌল উন্নয়ন পৰিষদে জনোৱা অনুসৰি শিৱদৌলত ২৫ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ ৪ দিনীয়াকৈ শিৱৰাত্ৰী উদ্‌যাপন কৰা হ'ব। শিৱৰাত্ৰী উপলক্ষে আয়োজন কৰা মেলাত বিগত বছৰৰ দৰে এইবাৰো থলুৱা ব্যৱসায়ীৰ লগতে বহিঃৰাজ্যৰ ব্যৱসায়ীয়ে অংশগ্ৰহণ কৰিব। ২৬ ফেব্ৰুৱাৰীৰ নিশা ৯ বাজি ৩০ মিনিটত পুজা আৰম্ভ হ'ব আৰু ২৭ ফেব্ৰুৱাৰীৰ পুৱা চাৰে ন বজাত শিৱৰাত্ৰীৰ পুজা সমাপ্ত হ'ব। দৌল পৰিষদে জনোৱা অনুসৰি ২৮ ফেব্ৰুৱাৰীৰ নিশা কণ্ঠশিল্পী কল্পনা পাটোৱাৰীয়ে সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰিব। সেই নিশা ২ বজাত মহাশিৱৰাত্ৰী মেলা আনুষ্ঠানিকভাৱে অন্ত পৰিব।

oooo

ৰাজ্য চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এপ্ৰিলত ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰিছে। বৰপেটাত এটা দলীয় কাৰ্যসূচীত ভাগ লৈ মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে পঞ্চায়ত নিৰ্বাচন পাতিবলৈ সাজু হৈ আছে। পৰীক্ষাৰ অন্ত হলেই নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooo

গুৱাহাটীৰ গণেশগুৰিৰ উৰণ সেঁতুৰ পাৰ্শ্বৱৰ্তী কালি মন্দিৰৰ নিচেই সমীপতে আজি এজন যুৱকে পদপথৰ এগৰাকী ফুলৰ ব্যৱসায়ীক চুৰিৰে আক্ৰমণ কৰে। আক্ৰমণকাৰী যুৱকজন পদপথৰ ব্যৱসায়ীক ফুল পুলিৰ যোগান ধৰা বুলি জানিব পৰা গৈছে। চুৰিৰ আঘাতত আহত ব্যৱসায়ীগৰাকীৰ নাম ভূপেন বৰ্মন। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ভূপেন বৰ্মন সম্প্ৰতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে।

oooo

প্ৰয়াগৰাজত অনুষ্ঠিত কুম্ভমেলালৈ গৈ এটা পথ দুৰ্ঘটনাত পতিত হৈ গুৱাহাটীৰ তেতেলীয়াৰ আনন্দ জ্যোতি মহন্ত নামৰ এজন লোকৰ মৃত্যু হৈছে। ১১ ফেব্ৰুৱাৰীৰ দিনা পৰিয়ালৰ অন্যান্য সদস্যৰ এটা ৭ জনীয়া দল তেতেলিয়াৰ পৰা এখন বাহনেৰে প্ৰয়াগৰাজ অভিমুখে ৰাওনা হৈছিল। দলটো কুম্ভমেলাত স্নান কৰি

উভতি অহাৰ পিছত আজি পুৱা প্ৰায় ৬ বজাত ঝাৰখণ্ডৰ গয়াত বাহনখন দুৰ্ঘটনাত পতিত হয়। বাহনখনে ট্ৰাকৰ পিছফালে প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলত চালকৰ আসনত থকা আনন্দ জ্যোতি মহন্ত থিতাতে মৃত্যু হয়। বাহনখনৰ আন ৬ জন লোকো কম বেছি পৰিমাণে আঘাতপ্ৰাপ্ত হয়। প্ৰয়াত আনন্দ জ্যোতি মহন্তৰ শৱদেহ ঘৰলৈ আনিবলৈ পৰিয়ালৰ লোক ঝাৰখণ্ড অভিমুখে ৰাওনা হৈছে। বাহনখনত থকা আন ৬ জনক এম্বুলেন্সেৰে গুৱাহাটী আনি থকা হৈছে।

০০০০

নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ বানৰ সময়ত ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত প্ৰথমখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে ৰাজহচক্ৰ বিষয়াসকলক তেওঁলোকৰ ৰাজহ অঞ্চলসমূহত বান প্ৰতিৰোধৰ বাবে কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰি অনতিপলমে দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে সংশ্লিষ্ট বিভাগসমূহক বানৰ সময়ত যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ সাজু হৈ থাকিবলৈ নিৰ্দেশ দিয়ে।

০০০০

গুৱাহাটী মহানগৰীৰ জালুকবাৰীৰ গোটানগৰত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হোৱাৰ লগতে তিনিগৰাকী ছাত্ৰী গুৰুতৰভাৱে আহত হয়। পুৱাৰ ভাগত এখন বাছে এখন স্কুটীক মহটীয়াই নিয়াৰ ফলত প্ৰফুল্ল দাস নামৰ লোকজন থিতাতে নিহত হয়। সম্প্ৰতি ছাত্ৰী তিনিগৰাকী বিপদমুক্ত বুলি জানিব পৰা গৈছে।

ইপিনে বৰপেটা জিলাৰ হাউলীৰ সমীপৰ কালঝাৰত সংঘটিত আন এটা পথ দুৰ্ঘটনাত এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰ থিতাতে নিহত হয়। মটৰ চাইকেলেৰে গৈ থকা অৱস্থাত এখন চাৰিচকীয়া বাহনে ছাত্ৰজনক খুন্দিয়াই পলায়ন কৰে বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ মৃত্যু বাৰ্ষিকী পালন কৰা হৈছে। ১৯৮০ চনৰ আজিৰ দিনটোতে কলংপৰীয়া গীতিকাৰ হিচাপে পৰিচিত ৰুদ্ৰ বৰুৱাৰ দেহাৱসান ঘটিছিল। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। শ্ৰী সোণোৱালে সামাজিক মাধ্যমযোগে কৈছে যে, ৰুদ্ৰ বৰুৱাৰ কালজয়ী গীতসমূহত কেঁচা মাটিৰ গোন্ধ সংমিশ্ৰিত হৈ আছে। অসমৰ তাহানিৰ জনজীৱনৰ বিভিন্ন দিশৰ প্ৰতিফলনেৰে মাদকতাপূৰ্ণ ৰুদ্ৰ বৰুৱাৰ গীতসমূহ শুনিলে শুনি থাকিবৰ মন যায় বুলি মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে।

০০০০

গুৱাহাটী পৌৰ নিগমৰ চাফাই কৰ্মী পুলিন দাসৰ **আছিল প্ৰেয়সী মোৰ** শীৰ্ষক কাব্যগ্ৰন্থখন আজি দিছপুৰ প্ৰেছ ক্লাবত জ্যেষ্ঠ সাংবাদিক দেৱজিৎ ভূঞাই উন্মোচন কৰে। সংগ্ৰামী জীৱনৰ মাজেৰে জীৱন অতিবাহিত কৰা পুলিন দাস বহুতৰ বাবে অনুপ্ৰেৰণা হ'ব বুলি শ্ৰী ভূঞাই উল্লেখ কৰে। জ্যেষ্ঠ সাংবাদিক ফণীধৰ পাঠকে সঞ্চালনা কৰা এই অনুষ্ঠানত কেইবাগৰাকী লেখক-সাংবাদিক উপস্থিত থাকে।

০০০০

নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ সৌজন্যত সাহিত্য একাডেমীৰ উদ্যোগত আজি মহাবিদ্যালয় প্ৰেক্ষাগৃহত কথাশিল্পী শীলভদ্ৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটি মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ সহযোগত আয়োজিত এই আলোচনাচক্ৰত শীলভদ্ৰৰ জীৱন আৰু সাহিত্য বিষয়ক আলোচনা অনুষ্ঠিত হয়।

সাহিত্য একাডেমীৰ ক্ষেত্ৰীয় সমন্বয়ক ক্ষেত্ৰবাসী নায়কে উদ্বোধন কৰা এই অনুষ্ঠানত সাহিত্য একাডেমীৰ অসমীয়া ভাষা উপদেষ্টা পৰিষদৰ সমন্বয়ক ড০ দিগন্ত বিশ্ব শৰ্মাই মূল বক্তব্য আগবঢ়ায়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

০০০০

উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ আজি সামৰণি পৰে। হল্ডৱানীৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰকল্প চৌহদত আজি বিয়লি এই সমাৰোহৰ সামৰণী অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে মনসুখ মন্দাভিয়াই উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে সামৰণি অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি কয়, যে দেৱভূমি বুলি কোৱা উত্তৰাখণ্ডত আয়োজিত ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত দেশৰ ক্ৰীড়াবিদসকলে পাৰদৰ্শিতাৰে ক্ৰীড়া প্ৰদৰ্শন কৰি দেৱভূমিক খেলভূমিলৈ ৰূপান্তৰিত কৰিলে।

ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ শেহতীয়া ছটা সংস্কৰণত এইবেলি পঞ্চমবাৰৰ বাবে ছাৰ্ভিচেছে পদকৰ তালিকাত শীৰ্ষ স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। ছাৰ্ভিচেছে প্ৰতিযোগিতাখনত ৬৮ টা সোণ, ২৬টা ৰূপ আৰু ২৭টা ব্ৰঞ্জৰ পদকেৰে মুঠ ১২১ টা পদক লাভ কৰে। দ্বিতীয় স্থান অধিকাৰ কৰা মহাৰাষ্ট্ৰই ৫৪ টা সোণ, ৭১ টা ৰূপ আৰু ৭৩ টা ব্ৰঞ্জৰ পদকসহ মুঠ ১৯৮ পদক লাভ কৰে। আৰু তৃতীয় স্থানৰ হাৰিয়ানাই ৪৮ টা সোণ, ৪৭টা ৰূপ আৰু ৫৮ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাখনত অসমে ৩ টা সোণ, ১৫ টা ৰূপ, ১৬টা ব্ৰঞ্জসহ মুঠ ৩৪ টা পদকেৰে পদক তালিকাৰ ২৪ সংখ্যক স্থানতে সন্তুষ্ট থাকে।

০০০০

সমাপ্ত